# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 06-05-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ত কাইলৈ ১৩ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইতিমধ্যে ভোটগ্ৰহণ হ'বলগীয়া জিলাকেইখনলৈ প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল ৰাওনা হৈছে। নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহ সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে।

**কামৰূপ** মহানগৰ জিলাৰ জালুকবাৰী সমজিলা আৰু ডিমৰীয়া সম জিলাৰ পৰা বেলট কাকত, বেলট বাকচকে ধৰি ভোটগ্ৰহণৰ যাৱতীয় সামগ্ৰী সংগ্ৰহ কৰি বিষয়া-কৰ্মচাৰীসকল নিজ নিজ ভোটকেন্দ্ৰলৈ ৰাওনা হৈছে। জিলাখনৰ ছখন জিলা পৰিষদ, তিনিখন আঞ্চলিক পঞ্চায়ত আৰু ২০ খন গাঁও পঞ্চায়তৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে গুৱাহাটী মহানগৰীত কৰ্মসূত্ৰে থকা লোকসকল ইতিমধ্যে নিজ নিজ জিলালৈ ৰাওনা হৈছে।

**ধুবুৰী** জিলাত এহেজাৰ ৪৬৫টা ভোটকেন্দ্ৰত হ'বলগীয়া নিৰ্বাচনৰ বাবে আজি ধুবুৰী ভোলানাথ মহাবিদ্যালয়, গোলকগঞ্জ সমজিলাৰ কাৰ্যালয় আৰু বিলাসীপাৰা সমজিলাৰ কাৰ্যালয়ত বেলট কাগজ বিতৰণ কৰা হয়।

**হাটশিঙিমাৰী** জিলা প্ৰশাসনৰ উদ্যোগত ৪০৬টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে নিয়োজিত এহেজাৰ ৬২৪ গৰাকী প'লিং আৰু প্ৰিজাইডিং বিষয়া নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হয়। মানকাচৰৰ বাংলাদেশ সীমান্তৱৰ্তী চৰ এলেকাত থকা ৫টা স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ যন্ত্ৰচালিত নাৱেৰে বিষয়াসকলে যাত্ৰা কৰে। ইপিনে ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলত পৰি বছৰ বছৰ ধৰি মানকাচৰৰ অসম-মেঘালয় সীমান্তত বসবাস কৰা ভোটদাতাসকলেও আজিয়েই ভোটদানৰ বাবে চৰ অঞ্চললৈ ৰাওনা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

**পাঠশালাৰ** বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰুমৰ পৰা যাৱতীয় সামগ্ৰী সংগ্ৰহ কৰি প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলে নিৰাপত্তাৰক্ষীসহ আজি বজালী জিলাৰ বিভিন্ন ভোটকেন্দ্ৰলৈ যাত্ৰা কৰে। জিলাখনত ৬৯০ গৰাকী সদস্যই গাঁও পঞ্চায়তত, ৫৬ গৰাকীয়ে আঞ্চলিক পঞ্চায়ত আৰু ১৫ গৰাকীয়ে জিলা পৰিষদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

**গোৱালপাৰা** জিলাত নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ৪ হাজাৰ ৫০০ বিষয়া নিয়োগ কৰা হৈছে।

**হোজাই** জিলাৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে আজি জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত নিৰ্বাচনী কাম-কাজ পৰ্যবেক্ষণ কৰি প'লিং আৰু প্ৰিজাইডিং বিষয়াসকলৰ সৈতে মত বিনিময় কৰে।

**বৰপেটা** জিলাতো নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যাৱতীয় কাম-কাজ সম্পূৰ্ণ কৰা হৈছে। জিলাখনৰ চৰ অঞ্চলত থকা ১২৯টা কেন্দ্ৰলৈ কালিয়েই নিৰ্বাচনী বিষয়াৰ দল ৰাওনা হয়।

নগাঁও, মৰিগাঁও আৰু দৰং জিলাতো কাইলৈ হ'বলগীয়া নিৰ্বাচনক লৈ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে ১৩ খন জিলাত মুঠ ১২ হাজাৰ ১৩০টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। এই পৰ্যায়ত ৯১ লাখ ৩১ হাজাৰ ১২৭ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। দ্বিতীয় পৰ্যায়ত মুঠ ২৯ হাজাৰ ৬০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইয়াৰ ভিতৰত জিলা পৰিষদত ৪৯৫ গৰাকী, আঞ্চলিক পঞ্চায়তত দুহেজাৰ ৩৮৮ গৰাকী আৰু গাঁও পঞ্চায়ত সদস্য পদত ২৬ হাজাৰ ৭২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইতিমধ্যে এহেজাৰ ২৮৯ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ সময়সূচী ঘোষণা কৰিছে। এই অনুসৰি ২৩ মে'ত কম্পাৰ্টমেণ্টেল পৰীক্ষা আৰম্ভ হ'ব আৰু ২৯ মে'ত অন্ত পৰিব। পৰিষদৰ তথ্য অনুসৰি কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ বাবে ৫৪ হাজাৰ ৯৯৪ গৰাকী শিক্ষাৰ্থীয়ে আবেদন কৰিছে আৰু ৰাজ্যৰ মুঠ ১১০টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০

তিনিচুকীয়া জিলাৰ ডুমডুমাৰ ৰজা ৰমাকান্ত সমন্বয় ক্ষেত্ৰত কালিৰেপৰা অনুষ্ঠিত সদৌ মৰাণ ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপনৰ আজি সামৰণি পৰিব। এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মৰাণ জনগোষ্ঠীৰ লোকসকলে অংশ লৈছে। কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলনেৰে কালি অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। কালিৰ অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মৰাণ জনগোষ্ঠীৰ বীৰত্ব, একাগ্ৰতা, নিষ্ঠা, নিৰ্ভীকতা আৰু সাহসিকতা কেৱল অসমেই নহয়, সমগ্ৰ ভাৰতবৰ্ষই অনুধাৱন কৰি আহিছে বুলি মন্তব্য কৰে। কালিৰ অনুষ্ঠানত গ্ৰন্থমেলা মুকলি, অধ্যয়নচক্ৰ, আলোচনা সত্ৰ, মৰাণ ছাত্ৰ সন্থাৰ মুখপত্ৰ গান্ধৈ উন্মোচন, মৰাণঘৰ উন্মোচন আৰু মুকলি সভা অনুষ্ঠিত হয়। হাজাৰ হাজাৰ বিহুৱা-নাচনীয়ে গছ তলৰ বিহু পৰিৱেশন কৰে। দিনৰ ভাগত এহেজাৰ আয়তীয়ে খেৰি পৰিৱেশন কৰে।

অনুষ্ঠানৰ অংশ হিচাপে আজি সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। মৰাণ জনগোষ্ঠীৰ অন্যতম ঐতিহ্যমণ্ডিত ৰাতি বিহুৰ অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা।

০০০০০

অসম লোকসেৱা আয়োগৰ নিযুক্তি সম্পৰ্কীয় অনিয়মৰ গোচৰত অন্যতম অভিযুক্ত পশু চিকিৎসক ডা০ মৃগেন শইকীয়াৰ আজি হৃদৰোগত আক্ৰান্ত হৈ পাঞ্জাবাৰীৰ বতাহঘূলিৰ নিজ বাসগৃহত মৃত্যু হয়। অসুস্থ হৈ পৰা ডা০ শইকীয়াক পৰিয়ালৰ লোকে তৎক্ষণাত চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। উল্লেখযোগ্য যে অসম চৰকাৰৰ পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মহকুমা স্বাস্থ্য বিষয়া ডা০ শইকীয়াই চাকৰিৰ প্ৰাৰ্থী আৰু লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ পালৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰিছিল। নিযুক্তি সম্পৰ্কীয় অনিয়মৰ গোচৰত অভিযুক্ত ডা০ শইকীয়াক ৫ বছৰ ধৰি পলাতক হৈ থকাৰ পাছত আদালতত ৰাজসাক্ষী হৈ স্বীকাৰোক্তি দিয়ে যদিও আদালতে সেয়া নাকচ কৰে। ইয়াৰ ফলত তেওঁ কাৰাগাৰলৈ যাবলগীয়া হৈছিল।

০০০০০

দেশৰ বিভিন্ন অংশত কাইলৈ হ'বলগীয়া মকড্রিল অর্থাৎ অসামৰিক প্রতিৰক্ষা অনুশীলনৰ পৰিপ্রেক্ষিতত আকাশবাণীৰ বাতৰি সেৱা বিভাগে আজি নিশা ৯ বাজি ১৫ মিনিটত ইংৰাজী ভাষাত এটা বিশেষ স্পটলাইট প্রচাৰ কৰিব। অসামৰিক প্রতিৰক্ষা আৰু ৰাষ্ট্রীয় নিৰাপত্তা সম্পৰ্কীয় এই অনুশীলনৰ বিষয়ে বিশেষজ্ঞৰ মতামত প্রচাৰ কৰা হ'ব। এই বিশেষ স্পটলাইট অনুষ্ঠান আকাশবাণী গুৱাহাটী কেন্দ্রৰ মহাবাহু আৰু প্রাগজ্যোতিষপুৰ দুয়োটা শাখাতে প্রচাৰিত হ'ব। এই অনুষ্ঠান প্রচাৰৰ বাবে আজি নিশা ৯ বাজি ২৫ মিনিটত প্রচাৰ হ'বলগীয়া নিশাৰ আঞ্চলিক বাতৰি ৯ বাজি ৩০ মিনিটত প্রচাৰিত হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্রই এই স্পটলাইটৰ অসমীয়া ভাষান্তৰ কাইলৈ পুৱা ৯ বাজি ৩০ মিনিটত প্রচাৰ কৰিব। এই অনুষ্ঠান ৰাজ্যখনৰ আটাইবোৰ কেন্দ্রই ৰিলে কৰিব।

ooooo

শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ বিভাগৰ মন্ত্রী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাৰ ক্রিকেট এছোচিয়েচনৰ সভাপতিৰ দায়িত্বভাৰ গ্রহণ কৰে। ধেমাজি খণ্ড উন্নয়ন বিষয়াৰ কার্যালয়ৰ সভাগৃহত আয়োজিত এখন সভাত ডাঃ পেগুৱে দায়িত্বভাৰ গ্রহণ কৰি জিলাখনত ক্রিকেট খেলৰ আন্তঃগাঁথনি উন্নয়ন, খেলুৱৈক উপযুক্ত প্রশিক্ষণ তথা উৎকর্ষতা বৃদ্ধিৰ উদ্দেশ্যে জিলাখনত সঘনাই ক্রিকেট প্রতিযোগিতা অনুষ্ঠিত কৰাৰ পোষকতা কৰে। তেওঁ ধেমাজি ক্রিকেট এছোচিয়েচনৰ বিষয়ববীয়াসকলৰ লগতে উপস্থিত ৰাইজক জিলাখনত ক্রীড়াৰ বাবে উপযুক্ত পৰিবেশ গঢ়ি তোলাৰ ক্ষেত্রত মনোনিবেশ কৰিবলৈ আহ্বান জনায়।

ooooo

বিশ্বনাথ জিলাৰ বিহালীৰ গাংমৌ থান অঞ্চলৰ বাঁহবাৰীৰ লগতে দাঁতিকাষৰীয়া অঞ্চলসমূহত আজি পুৱাৰ ভাগত অহা ধুমুহা-বৰষুণৰ ফলত বিস্তৰ ক্ষতি হয়। ধুমুহাৰ ফলত কেইবাটাও পৰিয়ালৰ ঘৰৰ টিনপাত উৰুৱাই নিয়াৰ লগতে গছ বাগৰি পৰাৰ ফলত একাধিক লোক আহত হয়। গুৰুতৰভাৱে আঘাতপ্রাপ্ত হোৱা এজন যুৱক আৰু এগৰাকী মহিলাক স্থানীয় ৰাইজে ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ যায়। প্রশাসনৰ লগতে স্থানীয় সাংসদ ৰঞ্জিত দত্ত ঘটনাস্থলী পৰিদর্শন কৰি ক্ষতিগ্রস্ত লোকসকলক ট্রিপাল, খাদ্যসামগ্রী আদি প্রয়োজনীয় সামগ্রী প্রদান কৰাৰ লগতে যাৱতীয় সকলো সুবিধা দিয়াৰ আশ্বাস দিয়ে।

ooooo

সমাপ্ত